# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI

0000000000

**Date : 02-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::**

অসম বিধানসভাৰ বাজেট অধিৱেশনৰ কাৰ্যক্ৰমণিকা ৯ দিনৰ বিৰতিৰ মূৰত কাইলৈৰ পৰা দিছপুৰত পুনৰ অনুষ্ঠিত হ'ব। কাইলৈৰ পৰা শুকুৰবাৰলৈ চলিবলগীয়া সদনৰ বৈঠকৰ সময়ছোৱাত কেইবাখনো বিধেয়ক উত্থাপন হোৱাৰ সম্ভাৱনা আছে। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ৰাজ্যখনৰ সাধাৰণ বাজেট উত্থাপন কৰিব। ১১ আৰু ১২ মাৰ্চত বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। ১৩ৰ পৰা ২০ মাৰ্চলৈ সদনৰ স্থায়ী সমিতিসমূহৰ বৈঠকৰ বাবে বিধানসভাৰ কাম-কাজ স্থগিত থাকিব। ২১, ২৪ আৰু ২৫ মাৰ্চত পুনৰ সদনৰ কাৰ্যক্ৰমণিকা অনুষ্ঠিত হ'ব আৰু ২৫ মাৰ্চত অসম বিধানসভাৰ এইবাৰৰ অধিৱেশন অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰখা হ'ব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিধানসভা অধিৱেশন অনুষ্ঠিত হোৱা দিনত প্ৰতি নিশা ৯ বাজি ১৫ মিনিটৰ পৰা ১০ মিনিটৰ বাবে **বিধানসভাত আজিৰ দিনটো** শীৰ্ষক প্ৰচাৰ কৰিব। ইয়াৰ উপৰি ১০ মাৰ্চত বিত্তমন্ত্ৰীয়ে সদনত দিয়া বাজেট ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই পোনপটীয়াকৈ সম্প্ৰচাৰ কৰিব।

০০০০

শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৱে আজি ১২ টা শিক্ষক সংগঠনৰ উমৈহতীয়া মঞ্চ - সদৌ অসম সন্মিলিত শিক্ষক মঞ্চৰ দ্বিতীয় দ্বিবাৰ্ষিক অধিবেশনৰ প্ৰতিনিধি সভাত অংশগ্ৰহণ কৰাৰ পাছতে সংবাদ মাধ্যমৰ আগত কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰে। ডাঃ পেগুৱে কয়, যে প্ৰাদেশিকীকৰণ আইনৰ কেতবোৰ সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে কেবিনেট উপ সমিতি গঠন কৰিছে। চৰকাৰে শিথিলতাৰে আইনৰ গণ্ডীৰ ভিতৰত থাকি সমস্যাসমূহ সমাধানৰ বাবে চেষ্টা চলাব বুলিও তেওঁ কয়। অৱশ্যে প্ৰাদেশিকীকৰণৰ বাবে ধাৰ্য্য ২০০৬ চনৰ ১ জানুৱাৰী ভিত্তিবৰ্ষৰ কোনো কাৰণতে সলনি নহয় বুলি তেওঁ স্পষ্ট কৰি দিয়ে। শিক্ষামন্ত্ৰীগৰাকীয়ে লগতে কয়, যে  ২০০৬ চনৰ ১ জানুৱাৰীৰ পূৰ্বে স্বীকৃতি লাভ কৰা শিক্ষানুষ্ঠানসমূহৰ বিষয়টো পুনৰীক্ষণ কৰা হ'ব। প্ৰথমৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিদ্যালয় শিক্ষা বিভাগৰ বাবে নতুন একত্ৰিত সেৱা বিধি প্ৰস্তুত কৰা হ'ব বুলিও তেওঁ ঘোষণা কৰে। এই সন্দৰ্ভত শিক্ষক সংগঠনসমূহৰ সৈতে আলোচনা কৰি থকা হৈছে বুলি জানিবলৈ দি ডাঃ পেগুৱে কয় যে একত্ৰিত সেৱা বিধিত শিক্ষকসকলৰ পদোন্নতিৰ বাবে বিশেষ দফা সংলগ্ন কৰা হ'ব। হাইস্কুলৰ প্ৰধান শিক্ষক নিযুক্তিৰ বাবে অসম মাধ্যমিক শিক্ষা সেৱা বিধিৰ সংশোধন ঘটোৱাৰ কথাও সদৰি কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে নতুন সংশোধনীত সেৱা বিধি অনুসৰি বিজ্ঞানৰ স্নাতক শিক্ষকসকলো প্ৰধান শিক্ষক নিযুক্তি প্ৰক্ৰিয়ালৈ আহিব পাৰিব। নতুনকৈ পদ নিয়মীয়া হোৱা ঠিকাভিত্তিক শিক্ষকসকলে সেই সুবিধা নাপাব বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০

ধুবুৰী চহৰৰ পাঞ্চুঘাটস্থিত নদী বন্দৰৰ পৰা বাংলাদেশৰ চিলমাৰী নদী বন্দৰৰ মাজৰ জলপথ যাত্ৰাৰ বাবে সাজু হৈ উঠিছে। ভাৰতীয় অন্তৰ্দেশীয় জলমাৰ্গ প্ৰাধিকৰণৰ অন্তৰ্গত এই জলপথছোৱা বিগত প্ৰায় আঢ়ৈ মাহ ধৰি ড্ৰেজিং কৰ্পৰেশ্বন অৱ ইণ্ডিয়াই লুইতৰ বুকুত যাতায়তৰ বাবে সাজু কৰি তুলিছে। নৈখনৰ বুকুত ৬ কিলোমিটাৰৰো অধিক দূৰত্ব খনন চলোৱাৰ পাছত এতিয়া কেৱল ধুবুৰী আৰু বাংলাদেশৰ মাজতে নহয়, ধুবুৰীৰ পৰা দক্ষিণ শালমাৰা -মানকাচৰ, বিৰসিং জৰোৱা, জলেশ্বৰ আদি বিভিন্ন অঞ্চললৈও নাও তথা ফেৰীৰ চলাচলো সূচল হৈ পৰিছে।

০০০০

নলবাৰী জিলাৰ বাহজানীত জন্মগ্ৰহণ কৰা তথা গুৱাহাটীৰ বাসিন্দা অৱসৰী ৰাজ্যিক নিৰ্বাচনী আয়ুক্ত, সমাজসেৱক, লেখক চন্দ্ৰ কুমাৰ শৰ্মাৰ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান হয়। ১৯৬৭ চনত শুৱালকুছি উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতাৰে চাকৰি জীৱন আৰম্ভ কৰা প্ৰয়াত শৰ্মাই ১৯৬৯ চনত অসম লোকসেৱা আয়োগৰ পৰীক্ষাত অসমৰ ভিতৰত প্ৰথম স্থান লাভ কৰি ৰাজ্যখনৰ বিভিন্ন জিলাত মহকুমাধিপতি, অতিৰিক্ত উপায়ুক্ত আদি বিভিন্ন পদত দক্ষতাৰে সেৱা আগবঢ়াই ৰাজ্যিক আৰু ভাৰত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হয়। ১৯৮৬ চনত তেওঁ কেন্দ্ৰীয় চৰকাৰৰ আই এছ্ কেডাৰত অন্তৰ্ভুক্ত হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ।

০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ডুবাইত অনুষ্ঠিত লীগৰ অন্তিমখন খেলত নিউজিলেণ্ডে-ভাৰতে নিৰ্ধাৰণ কৰি দিয়া ২৫০ ৰাণৰ লক্ষ্য আগত ৰাখি বাতৰি যুগুতোৱাৰ পৰলৈকে ৪২ অভাৰত ৭টা উইকেট হেৰুৱাই ১৭৬ ৰাণ কৰি খেলি আছে।

টছত জয়ী হৈ নিউজিলেণ্ডে ভাৰতীয় দলটোক প্ৰথমে বেটিঙৰ আমন্ত্ৰণ লাভ কৰে। ভাৰতে নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ২৪৯ ৰাণ সংগ্ৰহ কৰে।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফায়াৰ ফ্লাই নামৰ মহাকাশ সংস্থাটোৰ **ব্লু ঘোষ্ট** নামৰ মহাকাশ যানখনে আজি চন্দ্ৰপৃষ্ঠৰ মেৰ ক্ৰিছিয়ামৰ সমীপত প্ৰথমবাৰৰ বাবে সফলতাৰে অৱতৰণ কৰে। চন্দ্ৰপৃষ্ঠত সফলতাৰে মহাকাশ যান অৱতৰণ কৰা এয়া হৈছে দ্বিতীয়টো ব্যক্তিগত অভিযান। মানৱ বিহীন এই মহাকাশ যানখনে বিভিন্ন বৈজ্ঞানিক পৰীক্ষণৰ ১০ টা সজুলি চন্দ্ৰপৃষ্ঠলৈ কঢ়িয়াই নিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ